শ্ৰীশ্ৰীগোপালদেৱ বিৰচিত

# উদ্ধৱযান নাট

বাণী মন্দিৰ

শ্ৰীশ্ৰী গোপালদেৱ বিৰচিত

# উদ্ধৱযান নাট


সংকলন

**ড° প্ৰফুল্ল কুমাৰ নাথ**

গুৱাহাটী মহাবিদ্যালয়

(অতিথি অধ্যাপক, চন্দ্ৰকান্ত হাজৰিকা বি এড্ কলেজ, ডিব্ৰুগড়)



বাণী মন্দিৰ

ডিব্ৰুগড় ♦ গুৱাহাটী ♦ তেজপুৰ

# উদ্ধারযান নাট

## ।।শ্ৰীকৃষ্ণায় নমো নমঃ।।

নান্দী শ্লোক ।। নমোঽকিঞ্চনৱিত্তায় নিবৃত্তগুণ ৱিত্তয়ে।
আত্মাৰামায় শান্তায় কৈৱল্যপতয়ে নমঃ।।

অথ ভটিমা।। জয় জয় জগজন জীৱন যাদৱ
দেৱ দেৱকু দেৱা।।
চতুৰ বয়ন ভৱ সুৰপতি যাকৰ
কৰু নিত চৰণহি সেৱা।।
সকল নিগমগণ সনক সনাতন
অন্ত নপাৰতু যাৰ।
যো ৰোমকূপে অণ্ড কোটি আৱত
সো হৰি দৈৱকী কুমাৰ।।
যাহেৰ নাম গুণক শুনিয়ে
কম্পিত কালক প্ৰাণ।
সোহি কংস ভয় গোকুলে পলৱাত
ওহি লীলা কৌই জান।।
চৰণক ঘাতে শকট উৎপাৰল
হৰলি পূতনিকা প্ৰাণ।
যো হৰি বন অগনি ভয় কয়লি
গোপ গোপী পৰিত্ৰাণ।।
ধৰু গিৰি মন্দৰ দেৱ পুৰন্দৰ
যোহি কয়লি দৰ্পচূৰ।
কৰি বহু ৰংগ ঢংগ কেলি কৌতুক
গোপিনী মনোৰথ পূৰ।।
দুষ্ট অৰিষ্ট কেশী কৰি মোড়ন
ছোড়ল বৎসকু প্ৰাণ।
সো হৰি গিৰি বিৰহ মহ কয়লি
গোপ শিশু পৰিত্ৰাণ।।

এঁচন লীলা দৰশি হৰিসে
তাৰল গোকুল নিশেষ।
সংগে অক্ৰূৰ চড়িৰথে গোৱিন্দ
মধুপুৰী ভয়ো পৰৱেশ।।
সংগে গোপগণ নগৰী বেৰাৱত
গতি গম্ভীৰ গজ ঠান।
পেখি পুৰ ৰমণী কৰত নয়নভৰি
মুহ পঙ্কজ মধুপান।।
সুদামাৰ ফুল সৰিয়ে হৰি হৰষে
ঋজু কয় কুবুজীক তনু।
পশি যজ্ঞশাল মাৰল সেনা
ভাংগল কংসক ধনু।।
দুষ্ট মুষ্টিক মল্লসৱ মোড়ল
ছোড়ল কংসক প্ৰাণ।
থাপি উগ্ৰসেন পিতাক মাতাক
কয়লি দুঃখ নিৰঞ্জন।।
গুৰু সান্দীপনি মাগল জানি
মৃতক পুত্ৰ কয় দান।
পুনু মধুপুৰী প্ৰৱেসি গোৱিন্দ
জ্ঞাতিক কৰু বহু মান।।
গোপীক প্ৰেম ভকতি শুনি অধিক
আকুল ভয়ো লক্ষ্মীকান্ত।
মাতি উদ্ধৱক পঠায়া গোকুলপুৰী
কয়লি গোপিনী সৱ শান্ত।।
বোলো কৰযোৰি শুনসৱ লৌই।
মূঢ়ক দোষ ধৰবি নাহি কৌই।।
বাতুল বালক বোলয় বহুবাণী।
তাকৰ দোষ ধৰয় কোন প্ৰাণী।।
মৰষিবা জানি হামাত যত দোষ।
হৰিগুণ শুনি কয়ো হৃদয় সন্তোষ।।
ক্ষেমহ দোষ সাধুক ওহি কাম।।
কহয় গোপাল ডাকি বোলা ৰাম ৰাম।।

সূত্ৰ ।। ভো ভো সভাসদ, যে সকল সুৰাসুৰ বন্দিত পাদপদ্ম, সয়ল সংসাৰ যাকৰ স্ৰজনা, যাৰেহি নামে মহাপাপীসব সংসাৰ নিস্তৰে, সোহি পৰমেশ্বৰ শ্ৰীশ্ৰীকৃষ্ণ দৈৱকী গৰ্ভে জনম লভিয়ে কংসক ভয়ে গোকুল গৈএ কহো মনুয্য ভাৱ দৰশিয়ে বহুবিধ লীলা কয়ল। তদনন্তৰে পুনু মথুৰাপুৰী প্ৰৱেশি কংসক মাৰি উগ্ৰসেনক ৰাজা কয়ল, পিতাক-মাতাক বন্ধন ছোড়ল, গুৰুগৃহে শাস্ত্ৰসৱ পঢ়ি পুনু মধুপুৰী আৱল, উগ্ৰসেনে কৃষ্ণক যুৱৰাজ কয়ল ঃ মথুৰা নগৰে বৈকুন্ঠ সম্পদ মিলল, শ্ৰীকৃষ্ণ মথুৰাপুৰে পৰম কৌতুকে ৰহল ঃ তদনন্তৰে কৃষ্ণক বিয়োগে গোপী সৱ যে দুঃখ পাৱল, তাহেক পথিক মুখে শুনিয়ে উদ্ধৱক পঠায়া শান্ত কৰাৱল। সোহি উদ্ধৱ সম্বৱাদ নাম নাট ওহি সভামধ্যে কৰৱ, তাহেক সাৱধানে দেখহ শুনহ।।

পুনঃ সূত্ৰ ।। আকাশে কৰ্ণংদত্বা, আহে সংগী কি বাদ্য বাজৈছে।।

সংগী বোল ।। আহে সংগী, দেৱদুন্দুভি বাজত। আঃ দেৱ দুন্দুভি বাজত।।

সূত্ৰ।। আঃ শ্ৰীকৃষ্ণ মিলল।।

শ্লোক ।।
প্ৰৱেশমকৰোৎ কৃষ্ণঃ সংগে বীৰোদ্ধৱস্তদা।
ছত্ৰ চামৰ সংযুক্তো যোগেশঃ সহ যাদবৈঃ।।

ভো ভো সভাসদ, প্ৰথমে উদ্ধৱ সাত্যকি সুনন্দ নন্দ প্ৰমুখ্যে যাদৱগণ সহিতে যৈচে সভামধ্যে শ্ৰীকৃষ্ণ প্ৰৱেশ কয়ল তাহে দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।।

### ১. গীত, ৰাগ—সিন্ধুৰা একতালি।।

ধ্ৰুং ।।
আৰে যাদৱৰাজ কয়ো পৰৱেশ।
সংগে উদ্ধৱ বীৰ যাদৱ নিশেষ।।

পদ ।।
ছত্ৰ চামৰ ধ্বজ যোগান আশেষ।
আনন্দে ৰতন মন্দিৰ পৰৱেশ।।
তনু নৱ নীৰদ পৰিত পীতবাস।
পঙ্কজ নয়ন বয়নে মন্দহাস।।
মুকুট কুণ্ডল হাৰ ঝণকে শৰীৰে।
কহয় গোপাল হৰি পদ ধৰি শিৰে।।

সূত্ৰ ।। আহে সামাজিক লোক, ঐচন প্ৰৱেশ কয়ে শ্ৰীকৃষ্ণ আসনে বৈঠল, বৃদ্ধ যাদৱ সৱ সভামধ্যে কৃষ্ণক আদৰে ৰহল। ৰত্ন মন্দিৰ মাজে শ্ৰীকৃষ্ণ যৈচে প্ৰকাশ কয়ল তা দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।।

## ২. গীত, ৰাগ শ্ৰী, জৌতি।।

ধ্ৰুং।। মথুৰা মধুৰ পুৰী ৰহলি মধাই।।
সকল নাগৰী চিনি আনন্দ বঢ়াই।।
পদ।। পূৰ্ণ ঘট প্ৰদীপ প্ৰকাশে হাটি আৰি।
ধ্বজ দণ্ড পতাকা তোৰণ শাৰী শাৰী।।
জয় ৰাম কৃষ্ণ জয় ঘোষে নাৰী নৰে।
বৈকুণ্ঠ সম্পদ সুখ মিলে ঘৰে ঘৰে।।
কনক আসন ৰত্ন মন্দিৰৰ মাজে।
কোটি মহেন্দ্ৰ জিনি জ্বলে যদুৰাজে।।
উপৰে প্ৰকাশে চন্দ্ৰ সম শ্বেত ছত্ৰ।
ৰত্নময় ভূষণ পৰিতে পীত বস্ত্ৰ।।
প্ৰসন্ন বদন পূৰ্ণ ইন্দু কোটি গঞ্জে।
অৰুণ চৰণ ভকতৰ ভয় ভঞ্জে।।
ৰত্ন দণ্ড চামৰ প্ৰকাশে শাৰী শাৰী।।
কহয় গোপাল গতি মুকুতি মুৰাৰি।।

সূত্ৰ ।। আহে সামজিক লোক, ঐচন প্ৰকাৰে শ্ৰীকৃষ্ণ সভামধ্যে ৰহল। তদনন্তৰে গোপ গোপী সহিতে নন্দ যশোৱা যৈচে প্ৰৱেশ কয়ল তাহেক দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।।

## ৩.গীত, ৰাগ—কানাৰা, পৰিতাল

ধ্ৰুং ।। আৰে যশোৱা নন্দ কয়ো পৰৱেশ।
সংগে চলল গোপ-গোপিনী নিশেষ।।
পদ ।। মনোহৰ বসন ভূষণ জাতিস্কাৰ।
কঙ্কণ কুণ্ডল মুকুট হেমহাৰ।।
সুন্দৰ বদন শাৰদ চন্দ্ৰ ৰঞ্জে।
উজ্জ্বল নয়ন কমল-দল গঞ্জে।।
মণিময় মঞ্জিৰ চৰণে কৰু ৰোল।
গতি গোবিন্দ মেৰি গোপালে বোল।।

সূত্র ।। আহে সামজিক লোক, ঐচন প্রকাৰে প্রৱেশ কয়ে দাসদাসী সহিতে নন্দ যশোদা এক পাশ হুয়া ৰহল।। তদনন্তৰ গোপীসৱ একপাশ হুয়া ৰহল।। পুনু শ্রীকৃষ্ণ বিয়োগে গোপীসৱ তাপিত হুয়া যৈচে বিলাপ কয়ল তা দেখহ শুনহ নিৰন্তৰে হৰিবোল।।

### ৪. গীত, ৰাগ—মাহুৰ ধনশ্রী, জৌতিতাল।।

ধ্রুং।। গোপিনী প্রাণ কাহেনু গয়োৰে গোৱিন্দ।
হামু পাপিনী পুনু পেখবো নাহি আৰ
সোহি বদন অৰৱিন্দ।।

পদ ।। পৰম ভাগ্যৱতী ভয়োৱে সুপৰভাত
আজু ভেটৱ মুল চান্দা।
উগত সুৰ দূৰ গেয়ো গোৱিন্দ
ভয়ো গোপবধু আন্ধা।।
আজু মথুৰাপুৰে মিলব মহোৎসব
মাধব সাধব মান।
গোকুলক মংগল দূৰ গয়ো নাহি
বাজত বেণু বিসান।।
আজু যত নাগেৰী কৰত নয়ন ভৰি
মুখ পঙ্কজ মধু পানা।
হামাৰি বঙ্ক বিধি হাতে হৰল নিধি
কৃষ্ণ কিঙ্কৰ ৰস ভাণা।।

সূত্র ।। ঐচন প্রকাৰে গোপীসৱ কৃষ্ণক বিয়োগে তাপিত হুয়া কৃষ্ণ বাক্য সন্দেশ সুমৰি কথং কথমপি প্রাণ ধৰিয়ে পন্থ নিৰেখি ৰহল। সোহি সময়ে নন্দাদি গোপগণ গোকুলে মিলল, কৃষ্ণ নাহি আৱত, তাহেক শুনি মূৰুচি পৰল, পুনঃ সম্বিত হুয়া হেঠ মাথে ৰহল।।

### ৫. গীত, ৰাগ—কেদাৰ, পৰিতাল জৌতি।।

ধ্রু।। ৰাম পথে নেহাৰি বঙ্কে ব্রজনাৰী
আনন্দে আকুল মন।
হন্তে মধুপুৰী আৱব বাহুৰি
পেখবো চান্দ বয়ন।।

পদ ।। মিলল গোপগণ নাসিলা নাৰায়ণ
শুনিল যেখন কাণে।।
মূৰচি পৰল চেতন হৰল
মৰল গোপিনী প্ৰাণে।।
সম্মুকি গোপীগণ তাৰে তনুমন
সুমৰি কানুক নেহা।
মলিন বদন বসন ভূষণ
কৃশ পৰিল দেহা।।
হৰিৰ শোক দুখ সাগৰে মজিয়া
নিমিষে বৰিষ যায়।
মাধৱৰ পদ ৰেণু শিৰে পৰশি
দীন গোপালে গায়।।

সূত্ৰ ।। কৃষ্ণক শোকে দুখ সাগৰে মজল, এক দিৱস বৰিষ, সম যাৱত, বসন ভূষণ বিলাস সব চাৰল, গোপীসব নিশি নিদ্ৰা নাহি কৰয়, দিৱসে দিশসব প্ৰসন্ন নাহি, ওহি দুখে গোপীসব যৈচে বিলাপ কয়ল তা দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।।

৬. গীত, ৰাগ—শ্ৰী।।

ধ্ৰুং।। গোকুলে আজু গোপাল বিনে ভয়ো আন্ধিয়াৰী।
উগত সুৰ দূৰ গয়োৰে মুৰাৰি।।

পদ ।। হামাৰি জীৱন ধন গয়োৰে গোৱিন্দ।
নয়নে নেদেখো আৰ পদ অৰবিন্দ।।
ৰবি বিনে দিনে নোহে জল বিনে মীন।
হৰি বিনে গোপীৰ জীৱন ভৈল হীন।।
ধৰণী লুটিয়া গোপী ফোকাৰে সঘন।
কহয় মাধৱ গতি নন্দৰ নন্দন।।

সূত্ৰ ।। আহে সামাজিক লোক, ঐচন প্ৰকাৰে গোপীসব পৰম তাপিত হুয়া ৰহল।। তদনন্তৰে শ্ৰীকৃষ্ণক সভামধ্যে দূত পঠাই পথিক মতাৱল।।

দূত বোল।। আহে পথিক, তুহো শ্ৰীকৃষ্ণক সমীপে চলহ।।

## ৭. গীত, ৰাগ—কানাৰা, পৰিতাল।।

ধ্রুং ।। আৱত পথিক ৰাজ সমাজে।
মিলল ৰংগ হৃদয়ৰ মাজে।।

পদ ।। গাৱে বাঘাম্বৰ ভিক্ষুক কাছ।
প্ৰৱেশি সভা লগাৱল নাচ।।
পাৱত বিভু দূৰ হৈব দুখ।
পেখব কৃষ্ণ কমল মুখ।।

সূত্ৰ ।। ঐচন প্ৰকাৰে ভিক্ষুক শ্ৰীকৃষ্ণক আগু পৰি পৰণামি কৰযোৰি ৰহল। পেখি শ্ৰীকৃষ্ণ পুচয়ে লাগল।।

শ্ৰীকৃষ্ণ বোল ।। আহে পথিক, আঃ হামাৰ পিতা-মাতা নন্দ-যশোদাৰ কুশল বাত কহ, গোপীসৱ হামাৰ প্ৰিয়তম, তাৰাসৱৰ কুশল কহ।।

সূত্ৰ ।। ওহি বুলি শ্ৰীকৃষ্ণ মৌনে ৰহল।

পথিক বোল ।। আহে শ্ৰীকৃষ্ণ তোহো দেৱকো দেৱতা পৰম ঈশ্বৰ আপুনি সৰ্বজান, গোকুলবাসীক দুখ কি কহব, হে নাথ, তোহাক বিয়োগে দিৱসে যুগ শত যায়, শৰীৰ সব কৃশ ভেল, অন্ন-ভোজন চাৰল, পৰম প্ৰেমে বিহ্বল হুয়া বৃন্দাবনে বিচাৰ কয়ে ভ্ৰময়, নন্দ যশোদাক দুখ কি কহব, ৰজনী দিৱসে নয়নে লোতক ছেদ নাহি, ৰজনী প্ৰভাতে গোপীৰ গৃহে গৃহে বিছাৰি বেঢ়ৱয় ঃ আহে গোপীসৱ, হামাৰি প্ৰাণ পুত্ৰ কৃষ্ণ কতিহো গেল, ওহি বুলি মূৰুচি পৰয়।।

সূত্ৰ ।। ওহি বুলি পথিক মৌনে ৰহল।। শ্ৰীকৃষ্ণ উদ্ধৱক হাতে পথিকক বহুত বিত্ত দিয়াৱল। তদনন্তৰে শ্ৰীকৃষ্ণ নন্দ যশোদাৰ পৰম প্ৰেম, গোপীসৱৰ বিৰহ দুখ শুনিয়ে পৰম বিকল হুয়া হৃদয়ে ধৰয়ে নাহি পাৰল, অন্তেষপৰ প্ৰৱেশি উদ্ধৱক হাতে ধৰি কহো বোলয়ে লাগল।।

শ্ৰীকৃষ্ণ বোল।। হে উদ্ধৱ, তোহো হামাৰ পৰম প্ৰিয়তম, তোহো পৰম পণ্ডিত হামাৰি ৰহস্য কাৰ্য্য সাধহ ঃ তোহো সত্বৰে গোকুলে চলহ ঃ হামাৰ পোষ্টা পিতা-মাতা নন্দ-যশোদাক প্ৰৱোধ কৰহ।। গোপীসৱক শান্ত কৰ গিয়া, হামাৰ বিৰহে গোপীসৱ যে দুখ পাৱয় তাহে শুনহ।।

## ৮.গীত, ৰাগ-কৌ, পৰিতাল/একতালি

ধ্ৰুং ।। চলৰে চল বন্ধু উদ্ধৱ হে
সুমৰি গোকুল মন দহে।
গোপী আকুল হামু বিৰহে।।

পদ ।। সুমৰি সুমৰিমন ঝুৰয়ে ঘনে ঘন
ধৰিতে নপাৰো হিয়া।
হামাতে নিতে নিত সুম্পি প্ৰাণ চিত্ত
সয়ল গোপিনী ধৰে জীৱ।।
পুত্ৰ পৰিয়াৰ ছাড়ল নিৰন্তৰ
হামাতে কয় পতি আশা।
মাধৱ দাস দীন কহয় ভকতি হীন
হঞ্ হৰি দাসকু দাসা।।

সূত্ৰ ।। আহে সামাজিক লোক, ওহি বুলি শ্ৰীকৃষ্ণ প্ৰেমপত্ৰ লেখি উদ্ধৱক হাতে দেলহ, আপুনাৰ বসন ভূষণ সাৰুপ্য নিঝোজন কয়ল। সোহি সময়ে গোপীৰ প্ৰেম-ভকতি সুমৰি বিহ্বল হুয়া শ্ৰীকৃষ্ণ উদ্ধৱক হাতে ধৰি যে বোলল তা দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।।

## ৯. গীত, ৰাগ—ভূপালি, একতালি মান/জৌতি

ধ্ৰুং।। বিৰহে আকুল গোপী হামাকু নিমিত্ত।
ঝুৰে নয়নক নীৰ থিৰ নোহে চিত্ত।।

পদ ।। মাধৱ কহই উদ্ধৱ ধৰি হাত।
কহ মোহে গোপিনীক সন্দেশ বাত।।
জানয়ে নাহি গোপী মোহি বিনে আন।
দেহ বোধ উদ্ধৱ গোপীক ৰহু প্ৰাণ।।

তাল চুটা।।

নাহি সুহৃদ মোহে গোপিনী সমান।
তাহেৰ দুখ শুনি চুটে মেৰি প্ৰাণ।।
এ উদ্ধৱ চল গোকুলক লাগি।
সুমৰিতে মোহে গোপিনীক জীৱ যায়।

হামাকু শপত শান্ত করু ব্ৰজনাৰী।
বোলিতে কমল নয়নে ঝুৰে বাৰি।।

### খৰমান

নাৰে নয়নে নিন্দ নাহি অন্নপাণ।
হা হৰি বুলিতে তেজয় যৈচে প্ৰাণ।।
মোহে চৰণ মনে ধৰি ঝুৰে নীৰ।
তাহেৰ দুখ শুনি চিত্ত নোহে থিৰ।
এ উদ্ধৱ বন্ধু শুন গোপিনীক দুখ।।
তনু মন আমৰ মলিন ভেলি মুখ।
কহবি বিনয় বাণী গোপিনীক আগে।
কয়লহু বশ্য মোহে প্ৰেম অনুৰাগে।।
নাহি ছাড়হো সখি তাহেৰ সন্নিট।
তাপ তেজহু অৰ থিৰ করু চিত্ত।।

সূত্ৰ ।। আহে সামাজিক লোক, দেখু দেখু, ঐচন প্ৰকাৰে উদ্ধৱ কৃষ্ণক আদেশ শুনিয়ে তত্ত্বকালে উঠি কহো কৰযোৰি প্ৰদক্ষিণে প্ৰণিপাতে নমস্কাৰ কয়ল ঃ হাতে পদধূলি তুলি মাথে মাখল।। পুনঃ নমস্কাৰ কয়ে কৃষ্ণ চৰণ হৃদয়ে ধৰি চড়ি যৈচে গোকুলে চলল, তা দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।।

### ১০.গীত, ৰাগ—কামোদ, তাল চুটা।।

ধ্ৰুং ।। উদ্ধৱ চলিলা ৰথ ধৰিলা ব্ৰজৰ পথ
হৰি স্মৰি হৰিষে মনত।
নজানিলা মহামানী যৌৱাসে লৈযান্ত টান
গোপ পুৰে প্ৰৱেশি ৰথত।।
পদ।। শুনিলা বংশীৰ ধ্বনি তম্বুল শবদ চনি
এৰে নেৰে মথে দধি ঘোল।
গোকুল নগৰ চনি শুনি ৰাম কৃষ্ণ ধ্বনি
দীন গোপাল মূঢ়ে বোল।।

সূত্ৰ ।। আহে সামাজিক লোক, ঐচন প্ৰকাৰে উদ্ধৱ গোকুলে প্ৰৱেশ কয়ে কহো ৰাজ পথে চলিতে বহু বিধ মহোৎসৱ দেখলঃ ধেনু বৃষ বৎস

সৱ পেখল, গোপ গোপীসৱ বস্ত্র অলঙ্কাৰে অলঙ্কৃত হয়ে কহো প্রেম ভাৱে হৰিগুণ গীত গাইতে আছে, ঘৰে ঘৰে অসংখ্য প্রদীপ অগুৰু ধূপবাসে নগৰ সুবাসিত কৰিতে আছে ঃ অসংখ্যাত গৰুৰ ধূলিয়ে পন্থাবৃত হয়া আছে। সোহি সময়ে উদ্ধৱ নন্দৰ ঘৰে প্ৰৱেশ ভেল, নন্দে উদ্ধৱক পৰম সাদৰে আলিংগি ধৰিয়ে গৃহে আনি কহো বিষ্ণু বুদ্ধি কয়ে বহুবিধ পূজা কয়ল, ষড়ৰসে পঞ্চামৃতে ভোজন কৰাৱল, শয়নক লাগি সুৱৰ্ণ খাট দেলহ, উদ্ধৱৰ শ্ৰমদূৰ ভৈলঃ দেখি নন্দে পৰম সাদৰে ৰাম কৃষ্ণৰ বাত পুচয়ে লাগল। তাহে শুনহ।।

## ১১.গীত, ৰাগ—সুহাই।।

পুচয়ে নন্দে আনন্দে আতি।
প্ৰৱেশিয়া মধুপুৰ মাৰি বৈৰী কংসাসুৰ
সুখে কি আছন্ত পালি জ্ঞাতি।।

পদ ।। একুঞ্জ নিকুঞ্জ বন গিৰিবৰ গোবৰ্দ্ধন
কালিন্দী পুলিন গোপগৰু।
মোহোৰ পালন ধন বুলি প্ৰভু নাৰায়ণ।
স্মৰা কি ভকত কল্পতৰু।
শুনহে উদ্ধৱ প্ৰাণ আৰকি আমাৰ থান
বাৰেক মিলব প্ৰাণ হৰি।
দেখি দূৰ হৈব দুখ সুন্দৰ কমল মুখ
আনন্দে দেখিবো নেত্ৰ ভৰি।।

সূত্ৰ ।। পুনঃ নন্দে উদ্ধৱক সম্বুধি বোলয়ে লাগল।।

নন্দ বোল ।। হে উদ্ধৱ, শ্ৰীকৃষ্ণ যেন প্ৰাণ বন্ধু তাহে শুনহঃ মখ ভংগ খংগে ইন্দ্ৰে বাত বৃষ্টি কয়ল, তাহেত হামাক ৰাখল, বন বহ্নিত ৰক্ষা কয়ল, অঘ বক ধেনুক পুতনা আনো বহু বিধ ভয় হন্তে ৰক্ষা কৰৈছে।

সূত্ৰ ।। ওহি বুলি নন্দে গৰগদ বাক্যে প্ৰেমে কণ্ঠ নিৰোধ কয়ে মৌনে ৰহল।। তদনন্তৰ যশোৱা কৃষ্ণক চৰিত্ৰ শুনিয়ে পৰম আকুল হুয়া বিলাপ কৰিতে লাগল, তা শুনহ।।

## ১২. গীত, ৰাগ—শ্ৰী।।

ধ্ৰুং।। যশোৱা সমুৰি হৰিৰ গুণ আকুল্তি মনে।
পুলকিত তনু নিৰ ঝুৰয় নয়নে।।

পদ ।। হৰি হৰি প্ৰাণ পুত্ৰ গৈলা পৰিহৰি।
আশাতেসে আছো কথমপি প্ৰাণ ধৰি।।
মোৰ জীৱধন পুত্ৰ নাহিকে এক্ষণে।
কহয় গোপাল গতি মাধৱ চৰণে।।

সূত্ৰ ।। পুনঃ যশোৱা উদ্ধৱৰ আগে কৃষ্ণ গুণ সুমৰি বিলাপ কৰিতে লাগল।।

যশোৱা বোল ।। হে উদ্ধৱ, গৃহ আংগিনা কৃষ্ণ বিনে শূন্য ভেল, একো গৃহ কৃত্য কৰিতে নাহি পাৰো, ওহি ব্ৰজপুৰ বৃন্দাৱন চন্ন ভেল, হাঁ হাঁ উদ্ধৱ কি কহবো ঃ হামাক কোন অপৰাধে তেজল, সে সুনাসা মুখ বাহু বক্ষস্থল আৰৱ নাহি পেখব।।

সূত্ৰ ।। পুনঃ যশোমতী উদ্ধৱক আগে বাত পুচয়ে লাগল।।

## ১৩. গীত, ৰাগ—গৌৰী।।

ধ্ৰুং ।। পুচত ঘনে চান্দ বয়ন
সুমৰি যশোদা মাই।
উদ্ধৱ কহ হামাৰি বিৰহ
তাপে তনু মিলাই।।

পদ ।। হামু অভাগি নাহি পেখবো
সোহি প্ৰাণ মধাই।
পৰাণ নৰহে কানু বিৰহে
গিৰি বৃন্দাবন চাই।।
কুটিল অলক তিলক নাসিকা
অৰুণ অধৰ শোহে।
সুবল্তি ভুজ বাহু বক্ষস্থল
সুমৰিতে মন মোহে।।

সূত্ৰ ।। ঐচন প্ৰকাৰে নন্দ যশোদা কৃষ্ণ গুণ বৰ্ণাইতে পৰম প্ৰেম বাক্য গদগদে মৌনে ৰহল। তদনন্তৰে উদ্ধৱ যৈচে পৰম সাদৰে প্ৰবোধ কয়ল, তা দেখহ সুনহ নিৰন্তৰে হৰিবোল হৰিবোল।।

পুনঃ গোপী বোল ।। হে উদ্ধৱ তোহো কৃষ্ণৰ মুখ্য সেৱক, হামু জানলোঁ, তোহাক পিতাক মাতাক পাশে পঠাৱল, বন্ধু-বান্ধৱক স্নেহ মুনি সৱৰো দুস্ত্যজ। যৈচে পুষ্পক চুম্বি ভ্ৰমৰে তেজয়, ভুঞ্জি খাই অতিথি গৃহ চাড়য় নাৰীৰ মনে তৃপিতি নাহি হইতে উপপতি তেজয়, তদ্বৎ হামাকু তেজল।।

সূত্ৰ ।। ওহি বুলি গোপীসৱ উদ্ধৱৰ আগে যে বোলল তা দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।।

## ১৬. গীত, ৰাগ কল্যান, জৌতি মান।।

ধ্ৰুং।। এ উদ্ধৱ বন্ধু মধুপুৰী ৰহল মুৰাৰু।
কাহে নাহেৰি ৰহব অৱ জীৱন
বন ভয়ো ভৱন হামাৰু।।

পদ ।। যাহে বিয়োগে আগি অংগ তাৱয়ে
তিল একু ৰহয়ে নপাৰি।
সোহি ব্ৰজসুৰ দূৰ গয়ো গোবিন্দ
দিশ দশ দিৱসে আন্ধাৰি।।
হয়ো মৰণ ওহি সোহি হৰি চৰণকু
বিচোৰি ৰহয়ে নপাই।
দেখত কালিন্দী গিৰি বিৰিন্দাবন
তনু মন দহয়ে সদায়।।
ব্ৰজজন জীৱন বাহুৰি নাহি আৱত
হামাকু কৰত অনাথা।
গোপিনীক প্ৰেম পৰশি নীৰ ঝুৰয়ে
শংকৰ কহ গুণ গাথা।।

সূত্ৰ।। আহে সমাজিক লোক, গোপীসৱ প্ৰেমে মত্ত হুয়া কান্দি কান্দি পুচয়।।

গোপী বোল।। হে উদ্ধৱ, প্ৰাণবন্ধু কৃষ্ণক আৰত পেখবো, ব্ৰজসুৰ প্ৰাণকৃষ্ণ পুনু কি মিলবঃ হামু কথমপি প্ৰাণ ধৰইছি।।

সূত্ৰ।। ওহি বুলি গোপীসৱ কৃষ্ণ গুণ বৰ্ণাইতে প্ৰেমে মত্ত হুয়া, পতি পুত্ৰ গৃহ শৰীৰকো বিচোৰল, কৃষ্ণৰ সংগমক মনে ধ্যান কৰিতে আছে। সোহি সময়ে ভ্ৰমৰক পেখল, ওহি দূত মানি, ভ্ৰমৰত

লগাই উদ্ধৱক যে বোলল তা দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।।

১৭. গীত, ৰাগ-শ্ৰীগান্ধাৰ, জৌতি তাল।।

ধ্ৰুং ।। আহে শুন মধুকৰহে
বুজলহো তোহোৰ অভিপ্ৰায়।
হামাৰি পাশক দূত কৰি তোক ষটপদৰে
জানলো পঠাল মধাই।।

পদ ।। তোহাৰি কানুৰ সংগে পীৰিতি নকৰো হামুৰে
কপটী যাহেৰ সম নাই।
তঞি যেন মধুকৰ পৰম দাৰুণ চিত্তৰে
পুষ্প চুম্পি নোশোধ দুনাই।।
সতিনীৰ কুচৰ কুঙ্কুম চোৰ তোৰ হে'
পৰশিবি নাহি মেৰি পাই।
গোপিনীক প্ৰেম ভকতি বৰ আকুল ৰে'
দীন গোপালে গুণ গাই।।

সূত্ৰ ।। আহে সামাজিক লোক, দেখু দেখু গোপীসৱ পুনঃ ভ্ৰমৰক সম্বুধি বোলয়ে লাগল।।

গোপীসৱ বোল ।। আহে ভ্ৰমৰ, তোহো যাহে ৰত হামু জানো, তোহাৰ কৃষ্ণৱ কথা কহবি নাহি, হামু শুনবো নাহি, সোহি কৃষ্ণৱ কথা পৰম দাৰুণ, ইহাক যে কৰ্ণ পাতি শুনয়, ধৰ্ম অৰ্থ কাম, বন্ধু-বান্ধৱৰ সংগ বিয়োগ কৰাৱে, ঐচন কৃষ্ণৱ কথা কহবি নাহি।।

সূত্ৰ ।। আহে সামাজিক লোক, ওহি বুলি গোপীসৱ ভ্ৰমৰক এৰি উদ্ধৱক পুচয়ে লাগল তা দেখহ।।

১৮.গীত, ৰাগ—তুৰ বসন্ত, মান—জৌতি।।

ধ্ৰুং ।। কহৰে উদ্ধৱ কহ প্ৰাণেৰ বান্ধৱ হে
প্ৰাণ কৃষ্ণ কবে আৱে।
পুচয়ে গোপী প্ৰেম আকুল ভাৱে
নাহি চেতন গাৱে।।

25,086/A

পদ ।।
বাচুৰি ধ্বনি শুনি গোবৎস পেখি
লাগে আগি গাৰে উদ্ধৱ সখি।।
কালিন্দী দেখি সখি ফুটয়ে বুক।
এথায়ে খেলাইছিলো সে চান্দ মুখ
হৰিকো নয়না সুখ।।
বিৰিন্দাবন বৈৰী হামাৰি ভেলি।
পেখিতে নাবিচুৰো গোপাল কেলি।।
ধ্বজ ব্রজ যৱ পঙ্কজ চাই।
তথায়ে কান্দো হামু লোটায়া কায়।
গুণ গোৱিন্দ গাই।।
কৃষ্ণ সূর্য্য বিনে ব্রজ আন্ধাৰ।
নেদেখো এদুখ অৱধি পাৰ।।
আৰকি পেখবো গোপাল প্রাণ।
কৃষ্ণ কিঙ্কৰ শঙ্কৰ ভাণ।
হৰিকো হৃদয়ে জান।।

সূত্র ।। আহে সামাজিক লোক, পুনঃ যে গোপী বোলয়ে লাগল, তাহে শুনহ।।

গোপী বোল।। হে উদ্ধৱ, ওহি কৃষ্ণৰ কথা পৰম দাৰুণ, ৰাম অৱতাৰে শূর্পনখী নাক-কাণ ছেদ কয়ল বলিক ত্রৈলোক্য দান লৈয়া পাতালে পঠাৱল, ওহি কৃষ্ণ পৰম ক্রূৰ, ইহাক নজানি হামু তাহেৰ সংগে প্রেম বঢ়াৱলো, যৈচে কৃষ্ণসাৰ হৰিণ ব্যাধৰ গীত শুনিয়ে মোহিত হুয়া সমীপে আৱে, তাহেৰ শৰঘাৱে পীড়া পাৱয়, তভো হামাক চাৰি মধুপুৰী গেল, সোহি কৃষ্ণৰ কথা শুনয়ে নাহি।।

১৯. গীত, ৰাগ—অহিৰ জৌতি।।

ধ্রুং ।।
গোৱিন্দ গুণ মন লাগি।
সুমৰিতে তনু জ্বলে আগি।।

পদ ।।
মধুপুৰী মাধৱ পিউ।
কৈছে ধৰবো অৱ জীউ।।

নিশিসব্ব বঞ্চল জাগি।
ভেলি মাধৱ বধ ভাগি।।

### মান—একতালি।।

ধ্ৰুং ।। কৈছে কেশৱ পুনু পাঁহি।
দুখ বিমোচন ৰাজীৱ লোচন
চৰণ নাহেৰি জীৱ যায়।।
পদ ।। উদ্ধৱ বন্ধু মধুপুৰী প্ৰাণ হামাৰি
জীৱন হামাৰি।
যদুপুৰী পাৱল পুনু নাৱল
কত সহবি বিৰহ কুমাৰী।।
কহ মোহে কানুক বাতে।
নন্দ নন্দন পুনু আৱব গোপপুৰী
পৰশি জীয়াৱব হাতে।।

### তাল চুটা।।

ধ্ৰুং ।। কহ মোহে উদ্ধৱ জীউ।
কৈছে ছাড়ল গোষ্ঠ কৃষ্ণ প্ৰাণ পিউ।।
পদ ।। পতি সুত সুহৃদ সৱন্ত অভিলাস।
ছোড়ি কয়লো কৃষ্ণ চৰণকু আশ।।
তৱন্ত ৰহল মেৰি বন্ধু মধুপুৰী।
নিকৰুণ কাণু নাৱে অৱস্থ বাহুৰি।।
ব্ৰজকু জীৱন ধন নন্দ কুমাৰ।
বিচোৰল পূৰৱক সুনেহ হামাৰ।।
কৈছে ধৰব অৱ ব্ৰজবধু প্ৰাণ।
কৃষ্ণ কিঙ্কৰ ৰস শঙ্কৰ ভাণ।।

সূত্ৰ ।। আহে সামাজিক, দেখু দেখু পুনঃ গোপীসৱ প্ৰেমে বিকল হুয়া যৈচে উদ্ধৱত পুচয়ে লাগল তাহে দেখহ।।

## ২০.গীত, ৰাগ—সুহাই।।

প্ৰাণ মেৰি বিচুৰি জীৱ মেৰি তেজিয়া
নযাই কাহে লাগি।
উদ্ধৱ বিনে হৰি জীৱো অভাগি।।

পদ ।। দহয় বিৰহানলে প্ৰাণ।
উদ্ধৱ, জুৰাইব অধৰ মধু দান।।
পদযুগ কুচ মহ থাপি।
আৱত কি ধৰবো বুকে চাপি।।
কণ্ঠে আলিংগিয়া বাহু মেলি।
কৰবো আৱৰ ৰাস কেলি।।
কহয় গোপাল মতি হীনা।
গোপী প্ৰাণ ৰহে নাহি নন্দসুত বিনা।।

সূত্ৰ ।। আহে সামাজিক লোক, গোপী সৱৰ পৰম প্ৰেম ভকতি দেখি উদ্ধৱে কৃষ্ণ বাক্য সন্দেশে যৈচে শান্ত কৰাৱল।।

কথা ।। উদ্ধৱ বোল।। আহে গোপিসৱ ঃ তোহোঁ পৰম ভাগ্যৱতি ঃ লোকৰ পুজিত ভেলি ঃ ঈশ্বৰ কৃষ্ণৱ চৰণে ঃ জি হেতু একান্ত চিত নিবেদল ঃ তোৰাসৱক কৃষ্ণে ঃ জে বুলি পঠাৱল তা সুনহ।। — তোহো বিৰহ তাপ চাৰহ ঃ হামো জগতক নাথ ঃ তোহ্মাৰ হামাৰ কতিহোঁ বিয়োগ নাহি ঃ জৈচে জল বায়ু আকাস জগত-ব্যাপক হামো সোহি মত। ওঁহি জগত আপুনি স্ৰজোঁ ঃ আপুনি পালোঁ ঃ আপুনি সংহাৰোঁ ঃ দোষ গুণে পাৰৱে নাহি ঃ হামো পৰম নিৰ্ম্মল ইহা জানি তাপ চাৰহ।।

সূত্ৰ ।। আহে সমাজিক লোক ঃ ওহি সুনি পুনঃ গোপি জে বোলল ঃ (তা সুনহ)।।

গোপী বোল ।। হে উদ্ধৱ ঃ ওঁহি জৱ সত্য হয় ঃ হামাক কৈচে চাৰল।।

পুন ঃ উদ্ধৱ বোল ।। আহে গোপিসৱ ঃ শ্ৰীকৃষ্ণৱ বাত সুনহ।।

হে গোপীসৱ ।। সততে দৰসনে ঃ প্ৰেম উপজয় ঃ ওহি নিমিতে বিদুৰ ভেলো ঃ দেখিতে নপাই মোক ঃ তোৰাসৱৰ মনে সততে সুমৰোক ঃ ইহা জানি হামাক অসুৱা কৰবি নাহি।।

সূত্ৰ ।। আহে সামাজিক লোক ঃ ওহি সুনি গোপিসৱ ঃ কিঞ্চিত কটাক্ষ বোলয়ে লাগল।।

গোপীসৱ বোল ।। হে উদ্ধৱ; হামো কিছো শুনোঁ।। হামাক জ্ঞান কহি পঠাৱল ঃ ইহাক হামো সুনয়ে নাহি ঃ তোহাৰ পৰম সুন্দৰ ৰূপ জবৈ নাহি পেখোঁ হামো কৈছে প্ৰাণ ধৰবো।। ওঁহি বুলি গোপিসৱে যৈচে বিলাপ করিতে লাগল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰিবোল হৰিবোল।।

## ২১. গীত।। ৰাগ ভাঠিআলি।। মান পৰিতাল।।

ধ্ৰুং।। সুনহ উদ্ধব প্ৰাণ জীব মেৰি জাই।
কহতু কানু গোকুলে মিলব দুনাই।।

পদ ।। নয়নে দেখিবো চান্দ মুখ এক বাৰ।
তেবেসে সাফল সখি জীবন হামাৰ।।
নুহি ওহি দহে দেহ বিৰহ আনলে।।
কহবি উদ্ধব কৃষ্ণ-চৰণ কমলে।।
শ্ৰবণে নুশুনোঁ আৰ ন ভাসে নয়নে।
হাস্য লাস্য মধু স্যাম সুচান্দ বয়নে।।
সুমৰিতে দহে দেহ ধৰণ নজাই।
দিন টুটে প্ৰাণ চুটে ক্ষনেকে যুগ জাই।।
কান্দিতে ৰহল গোপিসব দুখ মনে।
কহয় গোপালে গতি মাধব চৰণে।।

সূত্ৰ ।। আহে সামাজিক লোক ঃ দেখু দেখু ঃ পুন ঃ গোপিসৱ উদ্ধৱক সাদৰ করি পুচয়ে লাগল।।

গোপি বোল।। আহে উদ্ধৱ ঃ প্ৰাণকৃষ্ণ কি গুৰু গৃহ হন্তে পঢ়ি আৱল ঃ সোহি দৈৱকি-নন্দন অগতিৰ গতি ঃ মথুৰা নগৰে কুসলে থিক ঃ হামু কিঙ্কৰীসৱক কোনো সময়ে কৃষ্ণে কি সুমৰয়।।

সূত্ৰ ।। ওহি সুনি আৱৰ গোপি বোল।। আহে সখী ঃ তোহো বড়ি আবুদ্ধি ঃ ইকথা উদ্ধৱত কি পুচহ ঃ কংস ভয়ে বঞ্চিতে পুৰি পাৱয়ে নাহি ঃ সে নিমিতে নন্দগৃহে বঞ্চল ঃ সোহি শত্ৰু মাৰি ৰাজ্যভাৰ পাৱল - পিতাক মাতাক সমিপ পাৱল ঃ অনেক ৰাজকন্যা বিৱাহ কৰব। হামাত কোন প্ৰয়োজন থিক।।

সূত্ৰ ।। আহে সামাজিক লোক ঃ গোপীসৱ প্ৰেমে বিহ্বলা হুয়া ঃ আৰ্ত্তৰাৱে জৈছে ক্ৰন্দন করিতে লাগল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি বোল।।

## ২২. গীত।। ৰাগ শ্ৰী।।

ধ্ৰুং ।। গোপিনী বিকলি হৰিৰ দুখে আকুলি হৈয়া।
গোবিন্দ মাধৱ বুলি ঃ কান্দে গোৰি দিয়া।।

পদ ।। দহৰে বিৰহানলে প্ৰাণ চুটি জাই।
অধৰ অমিয়া দিয়া ৰাখহি মধাই।।
মূৰুচি পৰয় দিস দেখো আন্ধিআৰি।
কহে গোপাল গতি মুকুতি মুৰাৰি।।

সূত্ৰ ।। আহে সামাজিক লোক ঃ ওহি ক্ৰন্দন এড়ি অন্যোঅন্যে কহয়ে লাগল গোপীসৱ বোল।। আহে সখীসৱ ঃ ওহি কৃষ্ণ পুৰ্ন্নকাম ঃ হামো বনচৰি ঃ আনো ৰাজকন্যাসৱ ভাগ্যৱতী ঃ লক্ষ্মীৰ স্বামীৰ ঃ ইহাত কোন প্ৰয়োজন থিক।।

আৱৰ গোপী বোল।। হে উদ্ধৱ ওহি বৃন্দাবন ঃ ওহি গিৰিবৰ ঃ ওহি যমুনা নদী ঃ গোবৎস্বসৱ ঃ প্ৰাণকৃষ্ণে মনে কি সুমৰয়।। আউৰ গোপী বোল।। হে উদ্ধৱ ঃ ওহি কুঞ্জ নিকুঞ্জবনে ঃ হামো সৱ সহিতে জে ৰাস-কেলি-কয়ল ঃ তাহেক কৃষ্ণৰ মনে কি পৰয়।। হামোসৱ কৃষ্ণ বিহিনে জৈছে দুখ পাৱলো ঃ হে উদ্ধৱ ঃ তাহেক কি কহবো।।

সূত্ৰ ।। ওহি বুলি উদ্ধৱক আগে ঃ গোপীসৱ জৈচে কহিতে লাগল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰিবোল হৰিবোল।।

## ২৩.গীত।। ৰাগ ধনশ্ৰী—মান একতালি।।

ধ্ৰুং।। কি কহবো উদ্ধৱ ঃ কি কহবো প্ৰাণ।
গোবিন্দ বিনে ভয়ো গোকুল উচান।।

পদ ।। সুন্য ভেল অংগিনা বিৰিন্দা বিপন।
না সোহে ৰয়নী জৈচে চান্দ বিহিন।।
নাহি চাৰব ধেনু কালিন্দি কুল।
আৰ না সুনবো বেণু কদম্বক মূল।।
মথুৰা ৰহলি সৱ গোপিনীক পীউ।
কেসৱ বিনে কৈছে ধৰবহো জীউ।।

মান চুটা ।।

ওঁৰে সৌই গোপাল পিয়াৰু।
মেৰি প্ৰাণ আধাৰু।।
মধুপুৰি ৰহে দহে জীৱন হামৰু।।

পদ ।। গোকুলক মাণিক কানু নৱনিধি।
হাতে হৰল নিকৰুণ বঙ্কবিধি।।
চান্দ বিনে ৰয়ণি সজনি কিচো নোহে।
হৰি বিনে বিৰিন্দা বিপিন নাহি সোহে।।

মান একতালি।।

মাই মাধৱ বিৰহে
হৰয় চেতন তনু জীৱন নাৰহে।।

পদ ।। চান্দ চন্দন মন্দ মলয় সমিৰে।
কেশৱ বিনে বিস বৰিষে সৰিৰে।।
ঘন ঘন হানয় মদন পাঞ্চ বাণ।
কোকিল কুহু কুহু লেহু মেৰি প্ৰাণ।।
পঙ্কজপাত অহিত হিমবাৰি।
মধুকৰ নিকৰ কৰয়ে মোহ মাৰি।।
ঐচন সময়ে মধুপুৰি পীউ প্ৰাণ।
কৃষ্ণ কিঙ্কৰ ৰস শঙ্কৰ ভাণ।।

সূত্ৰ ।। আহে সামাজিক লোক ঃ গোপীসৱে কৃষ্ণ গুণ সুমৰি সুমৰি ঃ ক্ৰন্দন কৰিতে প্ৰেমে মুৰচি পৰল ঃ কাহাৰো গাৱে চেতন নাহি।।

শ্লোক ।। ৱন্দে নন্দব্ৰজস্ত্ৰীনাং পাদৰেণুমভীক্ষ্নশঃ।
যাসাং হৰিকথোদ্গীতং পুনাতি ভুৱনত্ৰয়ম্।।

— দেখি উদ্ধৱ পৰম আনন্দে ঃ প্ৰত্যক্ষতে পৰি পৰি প্ৰণাম কয়ল। পুনঃ গোপী সন্ধুক্ষণ ভেল ঃ উদ্ধৱ জৈছে প্ৰবোধ কৰিতে লাগল (তা দেখহ)

উদ্ধৱ বোল ।। হে গোপীসৱ ঃ তোৰাসৱ পৰম ভাগ্যৱতী ঃ শ্ৰীকৃষ্ণ বিৰহতে পৰম প্ৰেম ভকতি ভেল ঃ অনেক জনমে জে তপ জপ জাগ যোগাদি সুদ্ধভাৱে কৰৈছ ঃ তব কৃষ্ণৰ চৰণে ভকতি কৰিতে পাবয় ঃ সোহি কৃষ্ণক তোৰাসৰে বস্য কয়ল ঃ তোৰাসৱক

সুমৰি শ্ৰীকৃষ্ণৰ মনে সুস্থ নাহি তুমি সব ঃ অচিৰ কালত শ্ৰীকৃষ্ণ সমিপ পাৱব । হে মাতাসৱ ঃ ইহা জানি তাপ তেজহ।।

সূত্ৰ ।। আহে সামাজিক লোক, দেখু দেখু ওঁহি সুনি গোপীসৱ ঃ সুস্থ হুয়া আখিমুখ মুচি ঃ নিস্বাস তেজল ঃ উদ্ধৱক বহুবিধ পূজা কয়ল ঃ পুনঃ উদ্ধৱ শ্ৰীকৃষ্ণৰ নানা লিলা কথা কহিয়ে ঃ গোপীসৱক নন্দ-যসোদাক সান্ত কয়ল ঃ তথায়ে কতিপয় মাস বঞ্চি কহোঁ ঃ তাৰাসৱত বহু মান্য সতকাৰ পাৱল ঃ (তদনন্তৰে) শ্ৰীকৃষ্ণক মনে সুমৰি ঃ আকুল হুয়া কহোঁ ঃ জৈচে মধুপুৰি চলল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰিবোল হৰিবোল।।

২৪. গীত।। ৰাগ শ্ৰী।।

ধ্ৰুং ।। উদ্ধৱ চলিতে মধুপুৰি ঃ জত গোপীগণ।।
পৰম আৰায়ে সবে কৰন্ত ক্ৰন্দন।।

সূত্ৰ ।। ঐ বন্ধু উদ্ধৱ ঃ তেজি জাহে কাহে লাগি।
কি দেখি ধৰবো প্ৰাণ হামু নন্দভাগি।।
মুৰুচি ৰহল দুখে গোপীনি নিসেস।
কান্দন্তে উদ্ধৱ ভৈলা মথুৰা প্ৰবেস।।
কৃষ্ণৰ চৰণে পৰি কৰিলা বন্দন।
কহয় গোপাল গতি নন্দেৰ নন্দন।।

সূত্ৰ ।। আহে সামাজিক লোক ঃ ঐচন প্ৰকাৰে উদ্ধৱ ঃ কৃষ্ণৰ চৰণ বন্দিয়ে ঃ নন্দ-যসোদাৰ জে কাৰুণ্য ঃ গোপীৰ বিৰহ দুখ ঃ ৰাম-কৃষ্ণত প্ৰতি প্ৰতি কহল ঃ সুনি শ্ৰীকৃষ্ণ দীৰ্ঘ নিস্বাস তেজি অধোমুখে ৰহল ঃ উদ্ধৱ শ্ৰীকৃষ্ণৰ চৰণ হৃদয়ে ধৰি ঃ আগে কৰজোড়ে ৰহল ঃ আহে সামাজিক লোক ঃ কৃষ্ণৰ চৰিত্ৰ ঃ গোপি-উদ্ধৱ-সংবাদ-প্ৰেম নাম-নাট সম্পূৰ্ণ ভেল। ইহাক জে কৰয় ঃ কৰাৱয় সুনয় ঃ সুনাৱয় তাহেৰ কৃষ্ণৰ চৰণে ভকতি বাঢ়য়। ইহা জানি ঃ হৰি বোল হৰি বোল।।

।। ইতি উদ্ধৱযান নাট সমাপ্ত।।